জনসংযোগ, অসম
মুখ্যমন্ত্ৰীৰ জনসম্পৰ্কৰক্ষী কোষ, দিছপুৰ
প্ৰেছ বাৰ্তা

**নং ঃ ৮২৮/২০২০**

# বিটিচি নিৰ্বাচন শান্তিপূৰ্ণভাৱে সম্পন্ন হোৱাৰ দিশত আগবঢ়োৱা সহযোগিতাৰ বাবে অঞ্চলটোৰ জনসাধাৰণলৈ কৃতজ্ঞতা জ্ঞাপন কৰিলে মুখ্যমন্ত্ৰীয়ে

## বিটিচিৰ নৱনিৰ্বাচিত সদস্যসকললৈ শুভেচ্ছা জ্ঞাপন কৰিলে মুখ্যমন্ত্ৰীয়ে

## অঞ্চলটোৰ শান্তি, সমৃদ্ধি আৰু উন্নয়নৰ স্বাৰ্থত ঐক্যবদ্ধভাৱে কাম কৰিবলৈ নৱনিৰ্বাচিত সদস্যসকলৰ প্ৰতি মুখ্যমন্ত্ৰীৰ আহ্বান

**দিছপুৰ, ১৩ ডিচেম্বৰ ঃ** বিটিআৰ অঞ্চলৰ সদ্যসমাপ্ত নিৰ্বাচন গণতান্ত্ৰিক, শান্তিপূৰ্ণ আৰু শৃংখলাবদ্ধভাৱে অনুষ্ঠিত কৰাত আগবঢ়োৱা সহায়-সহযোগিতাৰ বাবে মুখ্যমন্ত্ৰী সৰ্বানন্দ সোণোৱালে অঞ্চলটোৰ জনসাধাৰণলৈ আন্তৰিক ধন্যবাদ আৰু কৃতজ্ঞতা জ্ঞাপন কৰিছে। মুখ্যমন্ত্ৰীয়ে লগতে সুচাৰুৰূপে নিৰ্বাচন প্ৰক্ৰিয়া সম্পন্ন কৰাত গ্ৰহণ কৰা ভূমিকাৰ বাবে অঞ্চলটোৰ অসামৰিক প্ৰশাসন, আৰক্ষী প্ৰশাসন আৰু নিৰ্বাচনী কৰ্তব্যত নিয়োজিত বিষয়া-কৰ্মচাৰীসকলকো ধন্যবাদ জ্ঞাপন কৰে। আজি মুখ্যমন্ত্ৰীৰ চৰকাৰী বাসভৱত অনুষ্ঠিত এক বৈঠকৰ অন্তত মুখ্যমন্ত্ৰী সোণোৱালে বিটিচিৰ পৰৱৰ্তী পৰিষদীয় চৰকাৰ ভাৰতীয় জনতা পাৰ্টি, ইউপিপিএল আৰু গণ সুৰক্ষা পাৰ্টি মিত্ৰ জোঁটৰ নেতৃত্বত গঠন হ'ব বুলি ঘোষণা কৰাৰ লগতে বিটিচিৰ নতুন মুখ্য কাৰ্যবাহী সদস্য হিচাপে প্ৰমোদ বড়োৰ নাম আনুষ্ঠানিকভাৱে ঘোষণা কৰে। মুখ্যমন্ত্ৰী সোণোৱালে প্ৰমোদ বড়োৰ লগতে নৱনিৰ্বাচিত প্ৰতিগৰাকী সদস্যকে অভিনন্দন আৰু শুভেচ্ছা জ্ঞাপন কৰে। বিটিআৰ অঞ্চলৰ চাৰিখন জিলা ক্ৰমে কোকৰাঝাৰ, চিৰাং, বাক্সা আৰু ওদালগুৰি জিলাৰ সম্পদ, সম্ভাৱনা আৰু শক্তিৰ সুপ্ৰয়োগেৰে অঞ্চলটোক উন্নয়নৰ এক নতুন দিগন্তত উপনীত কৰোৱাৰ স্বাৰ্থত নৱনিৰ্বাচিত সদস্য সকলক শান্তি, সমন্বয় আৰু ভাতৃত্ববোধৰ আদৰ্শৰে কাম কৰি যাবলৈ মুখ্যমন্ত্ৰীয়ে আহ্বান জনায়। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ 'সবকা সাথ, সবকা বিকাশ, সবকা বিশ্বাস' নীতিৰ আধাৰত বিটিআৰ অঞ্চলত বসবাস কৰা প্ৰতিটো জাতি-জনগোষ্ঠীৰ স্বাৰ্থ আৰু অধিকাৰ সুৰক্ষিত কৰাৰ বাবে নৱ নিৰ্বাচিত চৰকাৰখনে দায়বদ্ধতাৰে কাম কৰি যাব বুলি মুখ্যমন্ত্ৰীয়ে আশা প্ৰকাশ কৰে।

**প্ৰঃকুঃবঃ**
**১৩/১২/২০২০**